**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-08 -2025
**Time :** 18 -45 HRS

***Assamese Evening Bulletin***

**--------------------**

১। জাগীৰোডত মহিলা উদ্যমিতা অভিযানৰ অধীনত ৩৭ হাজাৰতকৈ অধিক মহিলাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চেক বিতৰণ।

২। উৰিয়ামঘাটৰ উচ্ছেদিত ভূমিত অসম আৰু নাগালেণ্ড চৰকাৰৰ প্ৰতিনিধিৰ উপস্থিতিত গছপুলি ৰোপণ।

৩। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৪ গৰাকী গৱেষকৰ মেদবহুলতাৰ  চিকিৎসাত ব্যৱহৃত সামগ্ৰী প্ৰস্তুতৰ পেটেণ্ট লাভ।

৪। দেশৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত আজি দ্বিতীয় ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন। ***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব - নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জাগীৰোডত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্ম-সহায়ক গোটৰ ৩৭ হাজাৰতকৈ অধিক মহিলাক ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। এই উপলক্ষে মৰিগাঁৱৰ জাগীভকত গাঁৱত আয়োজিত অনুষ্ঠানত  ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিৰ ৩৮ হাজাৰ উদ্যমী মহিলাক আৰ্থিকভাৱে সবল কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টা  ৰাজ্যৰ ভিতৰতে একক আৰু অনন্য। তেওঁ কয়, যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে ৰাজ্যখনৰ মহিলাসকলৰ বাবে স্বাৱলম্বিতাৰ বাট প্ৰশস্ত কৰাৰ প্ৰয়াস কৰা হৈছে। বৰ্তমান সময়ত প্ৰতিখন আঁচনি প্ৰতিশ্ৰুতিৰ পৰা আৰম্ভ হৈ কাৰ্যত পৰিণত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বিশেষকৈ নাৰী সৱলীকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি কেৱল নীতি নহয়, বৰং এই দিশত এটা সবল পদক্ষেপ। ড° শৰ্মাই অৰুণোদয় আৰু নিযুত মইনাৰ দৰে অভিলাষী আঁচনিসমূহৰ লগতে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানে ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নক নতুন গতি প্ৰদান কৰিব বুলি উল্লেখ কৰে।

বাইট

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই আজি মায়ঙৰ ভকতগাঁৱত জাগীৰোড সম জিলা আয়ুক্ত কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই প্ৰশাসনিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ উপৰি জনসাধাৰণে কম সময়ৰ ভিতৰত উপযুক্ত সেৱা লাভ কৰাটো নিশ্চিত কৰিব বুলি আশা কৰা হৈছে। ড° শৰ্মাই আজি জাগীৰোডৰ টাটা ছেমি কণ্ডক্টৰ প্ৰকল্পস্থলীত ১৪২ কোটি টকা ব্যয়সাপেক্ষে কৰ্মজীৱী মহিলাৰ এটা আৱাসৰ আধাৰশিলা স্থাপন কৰে। ১০ মহলীয়া এই আৱাসগৃহত আধুনিক আন্তঃগাঁথনি, পৰিৱেশ অনুকুল ব্যৱস্থা তথা চাইকেল চলোৱাৰ বাবে উপযুক্ত ব্যৱস্থা থাকিব।

বাইট

০০০

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ শেহতীয়াকৈ উচ্ছেদ অভিযান চলোৱা বিদ্যাপুৰত আজি অসম আৰু নাগালেণ্ড চৰকাৰে এখন বৈঠকত মিলিত হয়। দুয়োখন ৰাজ্যৰ জনপ্ৰতিনিধি তথা প্ৰশাসনিক বিষয়াসকলে উচ্ছেদিত স্থান আৰু গছপুলি ৰোপণ কাৰ্যসূচী পৰিদৰ্শন কৰে। নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী ৱাই পেটন, ভাণ্ডাৰী সমষ্টিৰ বিধায়ক আছান্থেঅ' কিকন, ঊষা সমষ্টিৰ বিধায়ক ৱাই মহেম' ন'বেঅ' হমেছেৰ উপৰি ৰাজ্যখনৰ কেইবাগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াই সমগ্ৰ পৰিস্থিতি নিৰীক্ষণ কৰে । অসম চৰকাৰৰ হৈ বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট জিলা আয়ুক্ত পুলক মহন্ত আৰু আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ লগতে বন বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। দুয়োখন চৰকাৰৰ প্ৰতিনিধিসকলৰ উপস্থিতিত উচ্ছেদিত অঞ্চলসমূহত গছপুলি ৰোপণ কৰা হয়। এই সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয় –

বাইট

ইপিনে, উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ৭৩ টা পৰিয়ালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি নৰসিমহা আৰু অতুল চন্দ্ৰুকাৰৰ বিচাৰপীঠে পৰৱৰ্তী শুনানি পৰ্যন্ত এই স্থগিতাদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত অসম চৰকাৰ আৰু গোলাঘাট জিলা প্ৰশাসনলৈ জাননী জাৰি কৰিছে।

গোৱালপাৰা জিলা প্ৰশাসনে আজি মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাক্ষসিনী অঞ্চলত উচ্ছেদ অভিযান চলাই ১০৫ খন ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদ কৰে। গোৱালপাৰা চহৰৰ ময়লাপথাৰ বজাৰৰ পৰা শিল বজাৰলৈকে লোকনিৰ্মাণ বিভাগৰ পথৰ কাষত চৰকাৰী মাটি দখল কৰি দীৰ্ঘদিনৰ পৰা ব্যৱসায় চলাই অহা এই প্ৰতিষ্ঠানসমূহক সেই ঠাই এৰি যাবলৈ প্ৰশাসনে পূৰ্বেই জাননী জাৰি কৰিছিল। কিন্তু ব্যৱসায়-প্ৰতিষ্ঠানসমূহে সেই ভূমি ত্যাগ নকৰাত প্ৰশাসনে উচ্ছেদ চলায়।

নগাঁও জিলা প্ৰশাসনেও ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত উচ্ছেদৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। অহা ২৭ আগষ্টত এই অঞ্চলকেইটাত উচ্ছেদ অভিযান চলোৱা হ'ব।

০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাৰিগৰাকী গৱেষকে মেদ বহুলতা আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন জটিলতাৰ সমাধানৰ বাবে বিভিন্ন উদ্ভিদৰ পৰা চিকিৎসাত ব্যৱহৃত সামগ্ৰী প্ৰস্তুত কৰি ভাৰতীয় পেটেণ্ট কাৰ্যালয়ৰ পৰা অনুমোদন লাভ কৰিছে। গৱেষক ড° মানস দাস, প্ৰীতিমণি দাস, ড° প্ৰাঞ্জন বৰ্মন আৰু ড° নৱ কুমাৰ হাজৰিকাই এই পেটেণ্টৰ অনুমোদন লাভ কৰে। এই গৱেষকসকলে ফিলানথাছ ইউৰিনেৰিয়া আৰু আধাতোডা ভেছিকা নামৰ উদ্ভিদ প্ৰজাতিৰ লগত পানী মিহলাই ইথানল মিশ্ৰণ ব্যৱহাৰ কৰি এবিধ চিকিৎসাত ব্যৱহৃত দ্ৰব্য প্ৰস্তুত কৰিছিল। নিগনিৰ ওপৰত এই দ্ৰব্য ব্যৱহাৰ কৰি আশাব্যঞ্জক ফলাফল লাভ কৰা হৈছে। এই দ্ৰব্যই মেদবহুলতাৰ বিৰুদ্ধে যুঁজ দিয়াত সহায় কৰিব বুলি ধাৰণা কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে গৱেষণাকাৰী দলটোক অভিনন্দন জনাই কয়, যে এই কৃতিত্বই শৈক্ষিক গৱেষণাৰ নতুন পথ প্ৰশস্ত কৰিব। সকলো শিক্ষানুষ্ঠানকে এনেধৰণৰ উদ্ভাৱনক উৎসাহিত কৰিবলৈ তেওঁ আহ্বান জনায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্তই এই বিষয়ত কয়, যে এই পেটেণ্টে পৰম্পৰাগত জ্ঞানক ব্যৱহাৰিক স্বাস্থ্যক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব।

০০০

সমগ্ৰ দেশতে আজি দ্বিতীয় ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰা হয়। ২০২৩ চনৰ ২৩ আগষ্টত চন্দ্ৰযান-৩ অভিযানৰ বিক্ৰম লেণ্ডাৰৰ সফল অৱতৰণ আৰু চন্দ্ৰত প্ৰজ্ঞান ৰ'ভাৰ সফলভাৱে স্থাপনক সুঁৱৰি এই দিৱস উদযাপন কৰা হয়।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে বিশ্বনাথ জিলাৰ বিহালী স্নাতক মহাবিদ্যালয়ত পঞ্চম অসম বেটেলিয়নৰ এন চি চি তেজপুৰৰ উদ্যোগত ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক দেবেন্দ্ৰ চন্দ্ৰ বৰুৱাই ভাগ লয়। কৰ্ণেল টি এন উন্নীকৃষ্ণণ, মহাবিদ্যালয়ৰ অধ্যক্ষ ৰমেন বৰাকে ধৰি মহাবিদ্যালয়খনৰ অধ্যাপকৰ লগতে ৩ শতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মহাবিদ্যালয়ৰ এন চি চি গোটৰ শিক্ষাৰ্থীসকলে এখন সজাগতামূলক নাট প্ৰদৰ্শন কৰে।

হাফলং চৰকাৰী মহাবিদ্যালয়ত আজি 33 আচাম বেটেলিয়ন এন চি চি গোটে মহাকাশ অন্বেষণত ভাৰতৰ সাফল্যত আলোকপাত কৰি বিভিন্ন কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰে। অনুষ্ঠানত এন চি চি কেডেটসকলে সৌৰ জগত, মহাকাশযান, চন্দ্ৰযান-৩কে ধৰি ইছ্‌ৰোৰ গুৰুত্বপূৰ্ণ অভিযানসমূহৰ আৰ্হি প্ৰদৰ্শন কৰে।

০০০

দুদিনীয়া ভ্ৰমণসূচীৰে শিলচৰলৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি কাছাৰ জিলা আয়ুক্ত কাৰ্যালয়ত জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হৈছে। বৈঠকত বিশেষকৈ বৰাক উপত্যকাৰ গুৰুত্বপূৰ্ণ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হৈছে।

ৰাজ্যপালগৰাকীয়ে কাইলৈ পুৱা চাৰে ৯ বজাত ৰামকৃষ্ণ মিছন পৰিদৰ্শন কৰাৰ লগতে ৰেডক্ৰছ শিশু চিকিৎসালয়ো পৰিদৰ্শন কৰিব।

০০০

শিৱসাগৰ জিলা অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জয়সাগৰত থকা শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ নৱ নিৰ্মিত শিশু আৰু মাতৃ সেৱা কোষ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ চৌহদত প্ৰায় ৭ কোটি টকা ব্যয়েৰে নিৰ্মিত মাতৃ আৰু শিশু সেৱা কোষ আনুষ্ঠানিকভাৱে মুকলি কৰি এই কোষৰ পৰা গৰ্ভৱতী মহিলাসকল উপকৃত হব বুলি মন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে। এই ভ্ৰমণতে ডাঃ পেগুৱে চিকিৎসালয়খন পৰিদৰ্শন কৰি আন্তঃগাথনি আৰু বিভিন্ন অভাৱ অভিযোগৰ বুজ লয়। তেওঁ চিকিৎসালয়খনৰ পৰিচালনা ব্যৱস্থা, স্বাস্থ্য সেৱা আৰু বিভিন্ন চিকিৎসা সা-সৰঞ্জামৰ অৱস্থা সম্পৰ্কে পৰ্যালোচনা কৰে। ডাঃ পেগুৱে চিকিৎসক, চিকিৎসা কৰ্মী আৰু কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰি স্বাস্থ্য সেৱাৰ গুণগত মান উন্নত কৰাৰ বাবে ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি মন্তব্য কৰে।

০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে যোৱা ২০ আগষ্টৰ পৰা আয়োজন কৰা প্ৰশিক্ষণ কৰ্মশালাৰ আজি সামৰণি পৰে। এই প্ৰশিক্ষণত ৰাজ্যখনৰ কেন্দ্ৰীয় বিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থ সাহায্যত অনুষ্ঠিত এই প্ৰশিক্ষণ কৰ্মশালা যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক ডঃ বীৰেন্দ্ৰমণি তিৱাৰীয়ে উদ্বোধন কৰে। এই কৰ্মশালাত পৰিৱেশ তথা বন সংৰক্ষণৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পৰ্কে অৱগত কৰোৱা হয়।

০০০

ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱে আজি সমাগত বড়োলেণ্ড পৰিষদীয় নিৰ্বাচন উপলক্ষে বিশ্বনাথ জিলাৰ গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। বড়োলেণ্ড পৰিষদীয় অঞ্চলৰ সীমা পুনৰ নিৰ্ধাৰণ হোৱাৰ পাছত এইবাৰ গহপুৰৰ এটা অঞ্চলো বিটিআৰৰ অন্তৰ্গত হৈছে। বিশ্বনাথৰ গহপুৰলৈ বিটিআৰ সম্প্ৰসাৰিত হোৱাৰ পাছত

প্ৰথমবাৰৰ বাবে গহপুৰৰ বৰপুখুৰীত ইউ পি পি এলৰ সভাপতিগৰাকীয়ে নিৰ্বাচনী প্ৰচাৰ চলায়। ইউ পি পি এলৰ ধনশিৰি সমষ্টিৰ প্ৰাৰ্থী ৰুজুগ্ৰা মুছাহাৰীৰ হৈ প্ৰচাৰ চলাই প্ৰমোদ বড়োৱে বি পি এফৰ নেতা হাগ্ৰামা মহিলাৰীক তীক্ষ্ণ সমালোচনা কৰে। হাগ্ৰামা মহিলাৰীয়ে ১৭ বছৰে বি টি আৰৰ কি উন্নয়ন কৰিলে তাৰো খতিয়ান দিবলৈ আহ্বান জনায়।

০০০

হোজাই জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সৌৰভ গুপ্তাই হোজাইবাসীৰ লগতে জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানক যিকোনো নিচাজাতীয় সামগ্ৰী সেৱন কৰা বা যোগান ধৰাৰ বিষয়ে কোনো সন্দেহ লাভ কৰিলে, লগে লগে হোজাই আৰক্ষী প্ৰশাসনক খবৰ দিবলৈ আহ্বান জনাইছে। জ্যেষ্ঠ আৰক্ষী অধীক্ষকজনে জনোৱা অনুসৰি জিলাখনৰ মাজেৰে অসমৰ বিভিন্ন জিলালৈ নিচাজাতীয় সামগ্ৰী সৰবৰাহ হয়। যোৱা মঙলবাৰে হোজাইৰ মাজেৰে মিজোৰামৰ পৰা নগাওঁলৈ নিচাজাতীয় সামগ্ৰী সৰবৰাহ কৰাৰ সন্দেহ পাই আৰক্ষীয়ে ৪ টা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছিল বুলিও জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে জনায়। তেওঁ লগতে কয় যে নিচাজাতীয় সামগ্ৰীমুক্ত অসম গঢ়াৰ বাবে সকলোৰে সহযোগিতাৰ প্ৰয়োজন আছে।

০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা আৰু উচ্চ শিক্ষা বিভাগে অহা ৫ ছেপ্তেম্বৰত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষে তেজপুৰ বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহত শিক্ষক দিৱসৰ প্ৰস্তুতি চলাইছে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে যোৱানিশা দুয়োটা বিভাগৰে শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনা কৰি পৰিকল্পনা প্ৰস্তুত কৰে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ ৰাজ্যিক কৃতি শিক্ষক বঁটাৰ বাবে মনোনীত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নাম অহা ৩ ছেপ্তেম্বৰত ঘোষণা কৰা হ'ব। এই বছৰ ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ, নাকৰ দ্বাৰা এ প্লাছ আৰু এ গ্ৰেড লাভ কৰা মহাবিদ্যালয়ৰ লগতে গৱেষণাৰ জৰিয়তে পেটেণ্ট লাভ কৰা শিক্ষকসলকো সম্বৰ্ধনা জনোৱা হ'ব বুলি শিক্ষামন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব আৰু যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত আৰম্ভ হ'ব।

উল্লেখযোগ্য যে ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে যোৱা বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে যোৱা মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০

ডিব্ৰুগড় জিলাৰ হনুমান সিংহানিয়া পথ নিবাসী, সমাজসেৱী বিজয় খেমানিৰ আজি পুৱতি নিশা এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। ব্যৱসায়ী প্ৰয়াত বিজয় খেমানি ডিব্ৰুগড়ৰ জগন্নাথ মন্দিৰৰ সম্পাদকৰ দায়িত্বতো আছিল। কাইলৈ দিনৰ এঘাৰ  বজাত প্ৰয়াত খেমানিৰ শেষকৃত্য সম্পন্ন কৰা হব।  মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ।

০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ